**SET – 4**

**Series : GBM/C**

**Code No. 14**

**Roll No.** | | | | | | | |

Candidates must write the Code on the title page of the answer-book.

- Please check that this question paper contains **4** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **14** questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া
# ASSAMESE

*সময় : 3 ঘন্টা* | *সৰ্বমুঠ নম্বৰ : 100*

*Time allowed : 3 Hours* | *Maximum Marks : 100*

collegedunia.com India's largest Student Review Platform

## SECTION – A

1. (ক) এটা বাক্যত উত্তৰ লিখা ।

(i) সকৰ্মক ক্ৰিয়া কাক বোলে ? **1**

(ii) ‘শিক্ষকজনে বিদ্যালয়খন দেফা কৰালে ।’ – কি ক্ৰিয়া ? **1**

(iii) প্ৰশ্নবোধক অব্যয়ৰ সংজ্ঞা লিখা । **1**

(iv) যোজক অব্যয় কাক বোলে ? **1**

(v) সংজ্ঞা শব্দৰ পাছত প্ৰত্যয় যোগ হৈ সম্পন্ন হোৱা ধাতুক কি বোলে ? **1**

(vi) সম্বোধনবোধক অব্যয় ব্যৱহাৰ কৰি এটা বাক্য লিখা । **1**

(vii) “মই আমটো খাই পেলালোঁ ।” ইয়াত ‘পেলালোঁ’ কি ক্ৰিয়া ? **1**

(viii) দ্বিকৰ্মক ক্ৰিয়াৰ এটা উদাহৰণ দিয়া । **1**



collegedunia.com India's largest Student Review Platform

(খ) তলৰ অনুৰূপ শব্দবোৰ কি কি প্ৰকাৰৰ লিখা । $1 \times 4 = 4$

(i) টকা চকা

(ii) মাছ-তাছ

(iii) বা-বাতৰি

(iv) ৰূপ-বান

(গ) 'ট'-বৰ্গৰ লগত যুক্ত দন্ত্য 'স' মূৰ্দ্ধন্য হোৱা শব্দ তিনিটাৰে বাক্য ৰচনা কৰা । $1 \times 3 = 3$

(ঘ) (i) মধ্য পদলোপী কৰ্মধাৰয় সমাস কাক বোলে ? দুটা উদাহৰণ দিয়া । 3

(ii) ব্যাসবাক্য ভাঙি দেখুৱাই সমাসৰ নাম লিখা । $1 \times 5 = 5$

সাধুপুৰুষ, দোমাহী, জ্ঞান-সাগৰ, মাহ-চাউল, চুলিয়াচুলি ।

(ঙ) শব্দ-বিভক্তি কাক বোলে ? উদাহৰণ দি বুজোৱা । $1 + 1 = 2$

(চ) তলৰ শব্দকেইটা বহুবচন কৰি দেখুঁৱা । 2

দেৱতা, কল, বৰষুণ, তেওঁ ।

(ছ) এটা শব্দত প্ৰকাশ কৰা । $1 \times 4 = 4$

(i) য'লৈ যোৱা কষ্টসাধ্য ।

(ii) যি নিয়ম মতে খৰচ নকৰে ।

(iii) যাৰ পূৰ্বজন্মৰ কথা মনত আছে ।

(iv) যি অলপতে শুনে ।

(জ) তলৰ জতুৱা খণ্ডবাক্য কেইটা ব্যৱহাৰ কৰি প্ৰত্যেকৰে একোটাকৈ বাক্য ৰচনা কৰা । $1 \times 4 = 4$

পানী-নসৰকা, চকুৰোৱা

মুৰ পাতি ল, ভাতৰ ভতুৱা

## SECTION – B

2. তলত দিয়া এটা বিষয়েৰে এখন ৰচনা লিখা । 10

(i) অসমৰ কৃষকৰ সমস্যা

(ii) পৰীক্ষাৰ আগদিনা খনৰ অভিজ্ঞতা ।

3. ভাব সম্প্ৰসাৰণ কৰা (এছোৱাৰ) । 5

(i) উদ্যোগী পুৰুষ সিংহই কেৱল লক্ষ্মীকেই লাভ কৰে, এনে নহয়, সৰস্বতীকো লাভ কৰে ।

(ii) খঙত পেট কাটি ছমাইলে শুকনী খোৱা ।



collegedunia.com India's largest Student Review Platform

## SECTION – C

4. তলৰ যি কোনো এছোৱাৰ তাৎপৰ্য্য ব্যাখ্যা কৰা । **4**

    (i) আজিৰ যুগত বৈজ্ঞানিক আৱিষ্কাৰৰ ভিত্তিতেই এটা জাতিৰ শ্ৰেষ্ঠত্ব নিৰূপিত হয় ।

    (ii) প্ৰকৃততে, মহাপুৰুষ সকলৰ পদাংক অনুসৰণ কৰি প্ৰত্যেক মানুহে নিজক উন্নতিৰ পথেৰে পৰিচালিত কৰিব পাৰে ।

5. মিলাৰামৰ উপৰি পুৰুষৰ নাম কি ? তেওঁলোক ক'ৰপৰা অসমলৈ আহিছিল ? কি কাৰণত মিলাৰামে আত্মজীৱনী লিখিছিল ? **6**

6. চমুকৈ উত্তৰ লিখা । **2 × 2 = 4**

    (i) অসমীয়া বুৰঞ্জীমূলক ছবি চাৰি খনৰ নাম লিখা ।

    (ii) জাৰ্মান দাৰ্শনিক নীৎছেৰ মতবাদৰ বিষয়ে লিখা । সেই মতবাদ মানৱ সমাজে মানি লৈছেনে ?

7. চমুটোকা লিখা (এটাৰ) **2**

    (i) জয়মতী

    (ii) কোলেৰিজ

8. অতি চমুকৈ উত্তৰ লিখা । **1 × 4 = 4**

    (i) ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ পুতেকৰ নাম কি ?

    (ii) আনন্দৰাম বৰুৱাৰ কাম আৰু সংকল্প দেখি কোন পণ্ডিতে বিস্ময় মানিছিল ?

    (iii) বতাহ প্ৰৱাহিত হলেই সাংগীতিক ধ্বনি বাজি উঠা বীনটোৰ নাম কি ?

    (iv) কোনটো চন কথাছবি জগতৰ দৃষ্টিৰে অসমৰ কাৰণে এটি গৌৰৱময় বছৰ ?

9. প্ৰসঙ্গ সংগতি দৰ্শনই ব্যাখ্যা কৰা (**এছোৱা**) **4**

    (i) দুৰ্নিবাৰ ভূমিকম্প উল্লাসে
    বিকশিত হৈ আহিছে সেই
    জীৱনৰ মহা প্ৰৱাহে প্ৰৱাহে
    জনতাৰ মহাপ্ৰাণ ।

    (ii) আঘোনৰ পথাৰও দাৱনীৰ কাম আছে
    মুঠি মুঠি কাচি ডাঙৰি ডাঙৰি,
    কাম আছে
    আঘোনৰ পথাৰত কাম আৰু কাম ।



collegedunia.com India's largest Student Review Platform

10. যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা । **6**

(i) কবি নলিনীবালা দেৱীয়ে কাৰ চৰণত, কিয়, কি শেষ অৰ্ঘ্যৰূপে অৰ্পণ কৰিব বিচাৰিছে ?

(ii) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাসমূহৰ বৈশিষ্ট্য কি কি ? তেওঁ 'জনতাৰ আহবান' কবিতাটোৰ দ্বাৰা জনতাৰ কি আহবানৰ কথা কৈছে ?

11. (ক) তলৰ প্ৰশ্ন দুটাৰ উত্তৰ লিখা । **$2 \times 2 = 4$**

(i) তোমাৰ পাঠৰ শংকৰদেৱৰ গীতটো কোন শ্ৰেণীৰ বৰগীত ? ইয়াৰ বিশেষত্ব কি ?

(ii) ঈশ্বৰ পূজাৰ বাবে কবিৰ উপচাৰ কি কি ?

(খ) কেশৱ মহন্তৰ চমু পৰিচয় দি তেওঁ কোনখন পুথিৰ বাবে 'সাহিত্য অকাডেমী বঁটা' লাভ কৰিছিল লিখা । **2**

12. তলৰ প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা । **$1 \times 4 = 4$**

(i) কবি মহন্তৰ 'সেউতী' ক'ত হেৰাল ?

(ii) প্ৰথম অসমীয়া বোলছবিখনৰ নাম কি ?

(iii) মহাপুৰুষ শংকৰদেৱৰ জন্ম কিমান চনত হৈছিল ?

(iv) কবি নলিনীবালা দেৱী কিমান চনত বহা অসম সাহিত্য সভাৰ সভানেত্ৰী আছিল ?

13. অতি চমুকৈ উত্তৰ লিখা । **$1 \times 4 = 4$**

(i) প্ৰকৃততে মানুহৰ জীৱন কিহৰ দ্বাৰা পৰিচালিত হয় ?

(ii) ৰাষ্ট্ৰীয় শিক্ষা আৰু গৱেষণা পৰিষদে কিমান বিধ মূল্যবোধ চিনাক্ত কৰিছে ?

(iii) সৌন্দৰ্য্যবোধ ব্যক্তিনিষ্ঠ নে বস্তুনিষ্ঠ ?

(iv) 'নৈতিক' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ কি ?

14. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা । **$2 \times 3 = 6$**

(i) নন্দনতাত্ত্বিক মূল্যবোধৰ বিষয়ে চমুকৈ লিখা ।

(ii) শিশুৰ নৈতিক বিকাশৰ বিশেষ আচৰণ কেইটাৰ নাম লিখা ।

(iii) প্ৰয়োগবাদী সকলৰ মত সম্পৰ্কে চমুকৈ লিখা ।

(iv) নৈতিক স্বতন্ত্ৰতাই কি বুজায় ?

———————



collegedunia.com India's largest Student Review Platform